# মোৱামৰীয়া বিদ্ৰোহত ৰাধা-ৰুক্মিণী-ৰমলী-ৰাঙলী-চন্দ্ৰমালা আদিৰ ভূমিকা ঃ দেশৰ প্ৰথম নাৰীবাহিনী

***দ° দেৱব্ৰত শৰ্মা***

মোৱামৰীয়া বিদ্ৰোহৰ সবাতোকৈ উল্লেখযোগ্য আৰু গৌৰৱোজ্বল দিশবিলাকৰ এটা আছিল ইয়াত নাৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ। কেৱল সিমানেই নহয়, বিদ্ৰোহৰ সপক্ষে-বিপক্ষে থকা সকলো পক্ষই এটা কথাত একমত যে এই বিদ্ৰোহত সমুখৰ শাৰীৰ পৰা নেতৃত্ব দিছিল ৰাধা আৰু ৰুক্মিণী নামৰ দুগৰাকী নাৰীয়ে। ৰাধা-ৰুক্মিণী দুগৰাকী নে একে গৰাকী, তেওঁলোক নাহৰ খোৰাৰ পত্নী নে ৰাঘ মৰাণৰ, নে আন কাৰোবাৰ, তেওঁলোক চহিদ হৈছিল নে স্বাভাৱিকভাৱে মৰিছিল ইত্যাদি বিষয় লৈ তথ্যগত খেলিমেলি থাকিলেও তেওঁলোকৰ সাহস বীৰত্ব আৰু অগ্ৰণী ভূমিকাৰ বিষয়ে সকলোটি একমত।

উদাহৰণস্বৰূপে ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ '**ৰাধাৰুক্মিণীৰ ৰণ**'ত ৰাধা ৰুক্মিণী সম্পৰ্কে দিয়া বিভ্ৰান্তিকৰ তথ্যৰ বিষয়ে আমি এই অধ্যায়ৰে অন্য এঠাইত আলোচনা কৰি আহিছোঁ। ৰাধা-ৰুক্মিণীৰ যুদ্ধক দেওধনী উঠা, জঁক উঠা ইত্যাদি বুলি আখ্যা দিলেও তেওঁলোকৰ শক্তিৰ প্ৰকাশ বৰদলৈয়ে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে।

"...ৰমাকান্তে গই আঁঠু লৈ সুধিলে- 'মাতৃ ! কওকচোন, আমি আহোমৰ সৈতে যুঁজ কৰিলে জিকিমনে ?' ৰাধা- 'তহঁতে কেতিয়াও অকলে যুঁজাৰু আহোম ৰণুৱাক বলে নোৱাৰিবি। মই যেতিয়া ৰণচণ্ডী বেশ লৈ তহঁতক চলাই নিম আৰু সিফালে ৰুক্মিণীয়ে ভৈৰবীৰ বেশ লৈ ৰাঘৱৰ দলক চলাই আনিব আৰু তহঁতৰ দল যেতিয়া গই নামৰূপত মাজিউ গোহাঁইৰ লগ লাগিবি তেতিয়া আহোম ঘাটিব। মোৰ তৰোৱালৰ কোবৰ আগত সিহঁত তিষ্ঠিব নোৱাৰিব। আহোম ৰজা পলাই পত্ৰং মাৰিব। তহঁতে যুঁজ জিকি কিন্তু কাৰো ওপৰত অত্যাচাৰ নকৰিবি। মই আহিলোঁ।' ...

...মোৱামৰীয়াহঁত নামৰূপ পাওঁতেই এইবাৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই খবৰ পালে যে, মোৱামৰীয়াহঁতে আগত ৰাধা  মাইকী এজনী লই আকৌ যুঁজিবলৈ আহিছে। ...

...মোৱামৰীয়াহঁতৰ আগত ৰাধাই ৰণচণ্ডী বেশ লৈ এহাতে ঢাল, এহাতে বাৰু লই একোটা একোটা ঝাপ মাৰি আগ বাঢ়ি গ'ল। মাকৰ কাষে কাষে ৰমাকান্ত, বনগঞা, সেনাপতি এই সকলো বেগেৰে গই বৰবৰুৱাৰ আহোম সৈন্যেৰে সৈতে হতাহতি যুঁজ ধৰিলে। আহোম ৰণুৱাবিলাক মাইকী এজনীয়ে ঘোৰ ৰণচণ্ডী মূৰ্ত্তি ধৰি যুঁজা দেখি অলপ ভয় খাই, কেতখিনিয়ে আকৌ মাজু গোহাঁইদেৱৰ চক্ৰান্ত মতেও ভালকৈ যুঁজ

নকৰিলে। তথাপি শিক্ষিত আহোম সৈন্যক পিচ হোঁহকাব নোৱাৰিলে। এনেতে সিফালে ৰংপুৰৰ পৰা লৰি অহা ভগনীয়া কটকী এজনৰ মুখে ববৰবুৰাই শুনিলে যে, উত্তৰ ফালৰ পৰা এজনী ভৈৰৱীক আগত লৈ ৰাঘ মৰাণ সসৈন্যে আহি নগৰ দখল কৰিলে। ...”

...অৱশ্যে ৰজনী বৰদলৈয়ে ৰাধা চহিদ হোৱাৰ কথাও স্বীকাৰ কৰা নাই। বৰং অবৈধ প্ৰেমত অকালতে প্ৰাণ এৰাৰ কথাহে উল্লেখ কৰিছে। তথাপিও তেওঁ ৰাধা-ৰুক্মিণীৰ বীৰত্ব-সাহসক লুকাই ৰাখিব পৰা নাই।

## ক্ষেত্ৰধৰ বৰগোহাঁইৰ ৰাধা-ৰুক্মিণী

এইক্ষেত্ৰত বুৰঞ্জীৰ আন উৎসবিলাকৰ উপৰিও সমসাময়িক সমাজত ৰাধা-ৰুক্মিণীয়ে সৃষ্টি কৰা প্ৰভাৱৰ কথা চোৱা যাওক। নিজে আহোম সম্প্ৰদায়ভুক্ত হৈও ক্ষেত্ৰধৰ বৰগোহাঁয়ে ১৯২৮ চনতে প্ৰকাশিত *‘ৰাধা-ৰুক্মিণী’* নামৰ লেখাটোত (ইয়াৰ প্ৰথম খচৰা ১৯১৮ চনত প্ৰকাশ পাইছিল) ৰাধা-ৰুক্মিণীৰ কথা এনেকৈ লিখিছে ঃ

“...এই অসমৰে এক সামান্য মৰাণৰ ঘৰত উপজি, অষ্টাদশ শতাব্দীত আৰু দুগৰাকী তিৰোতাই একেলগে বীৰৰ বেশেৰে যুদ্ধক্ষেত্ৰত উপস্থিত হৈ নিজৰ অসাধাৰণ ৰণ কৌশল দেখুৱাই শত্ৰুৰ চকুত চমক লগাইছিল! তেওঁলোকৰ নাম ৰাধা আৰু ৰুক্মিণী। এওঁবিলাক অৱলা তিৰোতা হৈও কিয় পুৰুষৰ অসাধ্য সাধিব লগাত পৰিছিল, তাকে সংক্ষেপে আঁকি দেখুৱাই এই প্ৰবন্ধৰ উদ্দেশ্য। ...

...ৰাঘৱক ৰণৰ সাজ পিন্ধি শত্ৰুৰ লগত যুঁজিবলৈ সাজু হোৱা দেখি তেওঁৰ পত্নী ৰাধা-ৰুক্মিণীৰ প্ৰাণে নসহিলে; গভীৰ পতিভক্তি আৰু প্ৰীতিৰ উত্তেজনাই তেওঁলোকক মতলীয়া কৰি তুলিলে। পতিৰ হন্তে শত্ৰুৰ লগত ৰণ দিবলৈ পতিপ্ৰাণা আৰু বীৰাঙ্গনা ৰাধা-ৰুক্মিণী দুয়ো যুদ্ধৰ সাজেৰে সাজু হ’ল। পুৰুষৰ দৰে কঁকালত টঙ্গালি বান্ধি আৰু হাতত ধনু-কাঁড় লৈ ৰাধা-ৰুক্মিণীয়েও স্বামীৰ সৈতে বীৰৰ বেশেৰে ৰণক্ষেত্ৰলৈ যাত্ৰা কৰিলে। ....

...বীৰাঙ্গনা ৰাধা আৰু ৰুক্মিণীৰ উদ্‌গনিত মোৱামৰীয়াবিলাকে দোপতদোপে আগুৱাবলৈ ধৰিলে। তিৰোতা দুগৰাকী যুদ্ধ-বিদ্যাত বৰ চতুৰা আছিল। তেওঁ বিলাকে নিজৰ সৈন্যেৰে অভেদ্য ব্যূহ ৰচনা কৰি শত্ৰুৰ ওপৰত আকাশ ছাটি অস্ত্ৰ বৰ্ষিবলৈ ধৰিলে। ৰণ কৌশল জনাৰ কাৰণে শত্ৰুৱে কোনো প্ৰকাৰে তেওঁলোকৰ গাত গুলি লগাব নোৱাৰিছিল। মৃত্যু বিভীষিকাপূৰ্ণ ৰণক্ষেত্ৰত দুগৰাকী তিৰোতাৰ নিৰ্ভীক ভাবৰ উত্তেজনা আৰু ৰণ চাঞ্চল্যই এফালে যেনেকৈ ৰাজ-সেনা আৰু সেনানীক প্ৰতি মুহূৰ্ত্তে স্তম্ভিত কৰি তুলিলে, আনফালে সেইদৰে মোৱামৰীয়া দলক দুগুণ উৎসাহত তেজীয়ান কৰিবলৈ ধৰিলে। অৱশেষত আহোম-সেনাৰ মাজত এটা জনৰৱ উঠিল ‘ৰাধা-ৰুক্মিণীয়ে আঁচল পাতি গুলী ধৰিছে। মোৱামৰীয়াহঁতৰ মাজত সাক্ষাৎ ৰণচণ্ডী উপস্থিত হৈ ৰাধা আৰু ৰুক্মিণীৰ বেশ ধৰি বিৰুদ্ধে যুদ্ধ কৰিছেহি; এতেকে ৰণ কৰা আৰু মিছা, মোৱামৰীয়াক একোপধ্যে জিকিব নোৱাৰি।’ এই ধাৰণাকে মনত লৈ ৰাজ সেনাৰ মুখ মলিন হল, বুকুৰ সাহ আৰু বাহুৰ বল ক্ৰমে টুটি আহিল; সেনাপতিকে আদি কৰি সকলো সেনা চাৰিওফালে ছিটিকি পলাবলৈ ধৰিলে। অবাধে মোৱামৰীয়াৰ জয় হ’ল। ...

...এতিয়া আহোম ৰাজসিংহাসনত নাহৰখোৱাৰ পুতেক ৰমাকান্ত ৰজা আৰু চ’ৰাত ৰাঘৱ ববৰবৰুৱা। কিন্তু সকলোৰে মূলত দুগৰাকী বীৰ ৰমণী ৰাধা আৰু ৰুক্মিণী। ৰাধা-ৰুক্মিণীৰ অমানুষিক প্ৰভাৱৰ বীৰত্বতেই



আজি ৰাজ-সিংহাসনত এই বিষম পৰিবৰ্তন। কোমলাঙ্গী তিৰোতা দুগৰাকীয়ে যিহৰ বলত এনে এটা মহৎ আৰু ভীষণ কাৰ্য সাধন কৰিবলৈ সক্ষম হৈছিল, সি তেওঁলোকৰ হৃদয়ৰ নিৰ্ম্মল প্ৰেম, স্বামীৰ প্ৰতি অকৃত্ৰিম ভালপোৱা। এই ঘটনাটি পতি-প্ৰেমৰ গভীৰতা আৰু আত্ম-সমৰ্পণৰ এক অপূৰ্ব্ব দৃষ্টান্ত। স্বামীৰ অৰ্থে তিৰোতাই কৰিব নোৱাৰা কাম জগতত কি আছে? প্ৰিয়তমক হিয়াত প্ৰতিষ্ঠা কৰি, হৃদয়ৰ বলত বলিষ্ঠা হৈ যেতিয়া তিৰোতাই কাৰ্যক্ষেত্ৰত ভৰি দিয়ে তেতিয়া পুৰুষ আৰু তিৰোতাৰ মাজত কোনো প্ৰভেদ নথাকে। সেই কাৰণে ৰাধা-ৰুক্মিণী দুৰ্ব্বল হৈও সবলা হৈছিল, মৃণালসদৃশ কোমল হৈও সমী বৃক্ষৰ নিচিনা কঠিন ৰূপ ধাৰণ কৰিছিল আৰু তিৰোতা হৈও নিৰ্ভয় মনেৰে পুৰুষৰ লগত যুঁজিবলৈ আগবাঢ়িছিল । ধন্য ৰাধা ৰুক্মিণী! ধন্য তোমালোকৰ প্ৰেম আৰু ধন্য তোমালোকৰ বীৰত্ব। তোমালোকে প্ৰাণৰ পতিৰে সৈতে আনন্দধামত চিৰকাল সুখেৰে বাস কৰিছা। ...”

ইয়াৰ উপৰিও *‘ৰাণী কুৰংগনয়নী বা মগলু কুৱঁৰী’* নামৰ আন এটা প্ৰবন্ধত বৰগোহাঁয়ে ৰাধা-ৰুক্মিণীৰ কথা এনেকৈ উল্লেখ কৰিছে ঃ

.....গড়গাওঁ নগৰৰ ওচৰতে ৰাজসেনা আৰু মোৱামৰীয়াৰ মাজত ঘোৰতৰ যুদ্ধ আৰম্ভ হ’ল। মৰাণ জীয়ৰী ৰণ চতুৰা ৰুক্মিণীয়ে এই যুদ্ধতে আঁচল পাতি গুলী ধৰা কথা প্ৰচাৰ হোৱাত ৰজাৰ সেনাই ভয় খাই পলাবলৈ ধৰিলে। মোৱামৰীয়াই হেলাৰঙে ৰণত জয়ী হৈ অবাধে ৰাজনগৰ অধিকাৰ কৰিলে। সেনাপতি ৰাঘৱে লক্ষ্মীসিংহক কাৰেঙৰ পৰা ধৰি নি জয়সাগৰ দ’লত বন্দী কৰি থৈ নাহৰ খোৱাৰ ৰপুতেক ৰমাকান্ত মৰাণক সিংহাসনত বহুৱাই ৰজা পাতিলে আৰু নিজে ববৰবৰুৱা খিতাপেৰে প্ৰধান মন্ত্ৰী হৈ নতুন আড়ম্বৰেৰে মৰাণৰ নামে ন চুকীয়া মোহৰ মৰালে। ...

পুনৰ *‘ৰাঘ-বলি’* নামৰ মিলনত প্ৰকাশিত আন এটা লেখাত বৰগোহাঁয়ে লিখিছেঃ

“...গতিকে এফালে ৰাজ-পৰিয়ালত গৃহ-কন্দল হোৱাৰ জাননী আৰু আনফালে ৰাঘৱৰ বীৰ পত্নী ৰাধা-ৰুক্মিণীৰ অদম্য উদ্‌গনি, দুয়ো লগ লাগি মোৱামৰীয়াহঁতক চতুৰ্গুণে উৎসাহিত কৰি তুলিছিল। যথাসময়ত ৰাজসেনা আৰু মোৱামৰীয়াৰ মাজত ঘোৰতৰ যুদ্ধ হয়। ৰণ চতুৰা ৰাধা-ৰুক্মিণীৰ বীৰত্ব শক্তিৰ আগত ৰাজসেনা তিষ্ঠিব নোৱাৰি পৰাস্ত হোৱাত মোৱামৰীয়াহঁতে অবাধে ৰাজ-নগৰ অধিকাৰ কৰে। ...”

## ৰাধা আৰু ৰুক্মিণী সাৰ্বভৌম ৰাণী ?

অৱশ্যে এই দুগৰাকী বীৰাংগনা মৰাণ-মোৱামৰীয়া বুলিয়েই জনা গ’লেও দ° সূৰ্যকুমাৰ ভূঞাই তেওঁলোক দুয়ো কৈৱৰ্ত মহিলা বুলি উল্লেখ কৰিছে। তদুপৰি তেওঁ ৰমলী নামৰ বনিয়া সম্প্ৰদায়ৰ আন এগৰাকী মহিলাৰ কথা উল্লেখ কৰিছে, যাৰ পৰা নাহৰখোৱাই এখন যাদুকৰী তামৰ ফলি পাইছিল। (**Anglo-Assamese Relations**, p. 198).

আনহাতে **‘A Memoir of the Late David Scott’** কিতাপত দেভিদ স্কতে লিখিছে ঃ

**“In a list of sovereigns I met with, two females, Yada and Yooking, appear after Lukhmee Singh.”** ইয়াৰ পৰা দেখা যায় ভাৰতৰ বৃটিচ গভৰ্নৰ জেনেৰেলৰ উত্তৰ-পূব ভাৰতৰ বাবে এজেন্ত বা তত্বাৱধায়ক দেভিদ স্কতৰ হাতত পৰা অসমৰ সাৰ্বভৌম ৰজাসকলৰ এখন তালিকাত ৰাধা আৰু ৰুক্মিণী নামৰ দুগৰাকী মহিলাৰ নাম আছিল। সেই সময়ত অসমৰ ৰাজনৈতিক ক্ষমতাত ৰাধা-ৰুক্মিণীৰ অসামান্য

প্ৰভাৱৰ কথা স্কতৰ পাচৰ বাক্যটোৰেও প্ৰমাণ কৰে ঃ “**According to Buranjee on the death of Lukhmee Singh, Rama Kantau was enthroned by Rookmunee and Radha**”

(**A Memoir of the Late David Scott,** by Major Adam White, DHAS, Guwahati, 1988, p. 125)

ইয়াৰ পৰা দেখা যায় যে লক্ষ্মীসিংহৰ মৃত্যুৰ পাচত ৰমাকান্তক আন কোনোৱে নহয়, ৰাধা আৰু ৰুক্মিণীয়েহে ৰজা পাতিছিল বুলি কোনো কোনো বুৰঞ্জিত উল্লেখ আছিল। ইও ৰাধা-ৰুক্মিণীৰ ৰাজনীতিত গভীৰ প্ৰভাৱৰ প্ৰমাণ দিয়ে।

## ৰাধা-ৰুক্মিণী-ৰমলী-ৰঙালী দলিত কৈৱৰ্ত-বনিয়া মহিলা ?

দ° অমলেন্দু গুহয়ো ৰাধা-ৰুক্মিণীক কৈৱৰ্ত মহিলা বুলি উল্লেখ কৰি লিখিছে, “যুদ্ধৰ তৃতীয় পৰ্যায়ত, গড়গাঁও-ৰংপুৰ অভিমুখে ৰাঘ নেওগ, নাহৰখোৰা শইকীয়া, তেওঁৰ দুই কৈৱৰ্ত পত্নী ৰাধা (ভাতুকী) আৰু ৰুক্মিণী (ভাবুলী), পুত্ৰ ৰমাকান্ত (ৰমানন্দ), মহন্ত বংশীয় বায়ন ডেকা আৰু গোবিন্দ গাওঁবুঢ়া ইত্যাদিৰ পৰিচালনাত বিদ্ৰোহী সৈন্যদল কেউপিনৰ পৰা আগুৱাই গৈছিল।” (**বৈষ্ণৱবাদৰ পৰা মোৱামৰীয়া বিদ্ৰোহলৈ;** পৃ. ৪৭)

ইফালে ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাই তাইৰ পৰা ইংৰাজীলৈ অনুবাদ কৰা অসম বুৰঞ্জিতো ৰমলী আৰু ৰঙালী নামৰ দুগৰাকী বনিয়া সম্প্ৰদায়ৰ মহিলাৰ কথা এনেকৈ উল্লেখ কৰা হৈছে ঃ

(কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ দ্বাৰা অপমানৰ পাচত)

“...Nahar was quite mortified. He thought of taking revenge and went out to get instructions from his friends. In the month of Dinshan (Magh), Nahar arrived at Dergaon. He then proceeded to and halted at Bengenabari on the side of the river Dilhiri. There he put up with a Hari woman named Ramali. She gave him some instructions and a written copper plate containing many incantations. Her daughter Rangali, was taken as wife by Nahar. Then Nahar proceeded to the Moamora Mahanta with the plate.”

(**Ahom Buranji**, Jorhat, 1930)

এই তথ্যসমূহৰ সত্যসত্যতাৰ নিশ্চয়তা দিয়া আমাৰ বাবে সম্ভৱ নহয়; কিন্তু ইয়াত বিদ্ৰোহৰ নায়কসকলৰ বিভিন্ন সম্প্ৰদায়ৰ লগত সুসম্পৰ্কৰ ইংগিত ফুটি উঠা কথাটো সঁচা।

## দণ্ডীনাথ কলিতাৰ দৃষ্টিত ৰাধা-ৰুক্মিণী

অসম বুৰঞ্জিত প্ৰায় দুই শতিকা জুৰি প্ৰবাদ-নাৰীত পৰিণত হোৱা ৰাধা ৰুক্মিণীৰ বিষয়ে দণ্ডীনাথ কলিতাই এনেকৈ উল্লেখ কৰিছে ঃ

“...নাহৰৰ দুগৰাকী ভাৰ্য্যা আছিল, নাম ভাতুকী আৰু ভাবুলী। পিচত তেওঁলোকে এই নাম এৰি নতুনকৈ ৰাধা আৰু ৰুক্মিণী নাম লয়। তেওঁলোকৰ সাহ-পিত পুৰুষতকৈ কোনোগুণে কম নাছিল। ৰাধাৰ ডাঙৰ ল'ৰাটোৰ নাম ৰমাকান্ত, বয়সত প্ৰায় ৰাঘৱৰ সমনীয়া। ...

...ৰাধা - মই এটা কথা ভাবিছোঁ, আজিয়েই হওক, বা দুই এবছৰ পাচতেই হওক ৰণ হ'বই। যদি আমি জিকোঁ, তেনেহ'লে কোনো লেঠা নাই। কিন্তু যদি হাৰিব লগা হয় তেন্তে পুৰুষসকল তো মৰিবই তিৰুতাসকলৰো



বিলাই বিপত্তিৰ সীমা নোহোৱা হ'ব। সেই কাৰণে মই কওঁ অকল পুৰুষসকল সাজু হ'লেই নহ'ব, তিৰুতাসকলো সাজু হ'ব লাগিব। তেতিয়া আমাৰ জয়লাভ সহজ হ'ব, আৰু যদি কেনেবাকৈ হাৰিব লগাও হয় সকলো একেলগেই মৰিব পাৰিম।

ৰুক্মিণী - ঠিক কথা। পুৰুষসকলে পুৰুষক শিক্ষা দিওক, আমি তিৰুতাক শিক্ষা দি নাৰী-বাহিনী গঠন কৰোঁ। মতা-তিৰুতা লগ লাগি আগবাঢ়িলে কোনো ৰাজ শক্তিয়ে আমাৰ গতিৰোধ কৰিব নোৱাৰে।

...নাহৰেও তেওঁলোকৰ কথা সমৰ্থন কৰিলে। তেতিয়া এইটোৱেই স্থিৰ হ'ল যে এফালে ৰাধা আৰু ৰমাকান্ত আৰু আন ফালে ৰাঘৱ আৰু ৰুক্মিণীয়ে কাম আৰম্ভ কৰিব। প্ৰত্যেক গাঁৱলৈ গৈ তেওঁলোকে দিনত তিৰুতাৰ আৰু ৰাতি মতাৰ সবাহ পাতি নাম-কীৰ্ত্তন কৰিব, আৰু তাৰ লগে লগে যুদ্ধৰ শিক্ষা দিব। সকলো একমত হোৱাত সেই মতেই পিচ দিনাৰ পৰা কাম আৰম্ভ হ'ল। ...

...ৰাধা - প্ৰভু জগন্নাথ ! ময়ো এযাৰ কওঁ, দায়-দোষ নধৰে যেন। আজি কত দিনৰ পৰা আয়োজন হৈছে, কাম হ'লে একো হোৱা নাই। আমাৰ ওপৰত অত্যাচাৰ দিনে দিনে বাঢ়িবই লাগিছে। সেই কাৰণে হাৰোঁৱেই বা জিকোঁৱেই আৰু বাট চোৱা উচিত নহয়। ...

ৰুক্মিণী- মৰাৰ দৰে গা পাতি দি নিৰ্য্যাতন ভোগ কৰাতকৈ যুদ্ধ কৰি মৰা বহুত গুণে ভাল। পুৰুষসকলে সহি থাকিলেও আমি নসহোঁ। আমি আমাৰ নাৰী-বাহিনী লৈ যুদ্ধত নামিম। ভৱিষ্যৎ ভাবিবৰ সময় নাই। ...”

## বিদ্ৰোহৰ সপক্ষে সাহিত্য ঃ ৰাধাৰুকুণী

নবীন লেখক বিষ্ণুৰাত শৰ্মাই অলপতে ৰাধা-ৰুক্মিণী বঁটা বিজয়িনী মাধুৰিমা বৰুৱাৰ **ৰাধাৰুকুনী** নামৰ উপন্যাসৰ এটা সমালোচনা কৰিছিল। সেই সমালোচনাত শৰ্মাই লিখিছে ঃ

“অসমীয়া সাহিত্যৰ এগৰাকী সাধক মাধুৰিমা বৰুৱায়ো এই মহা বিদ্ৰোহৰ বিষয়ে প্ৰাণৱন্ত সাৱলীল ভাষাত **ৰাধাৰুকুণী** নামৰ এখন সুখপাঠ্য উপন্যাস লিখিছে। মোৱামৰীয়া বিদ্ৰোহৰ সঁচা কাহিনী আৰু অনুপম কল্পনাৰ সোনালী সংযোগ ঘটিছে এই ঐতিহাসিক উপন্যাসখনত। উপন্যাসখন আৰম্ভ হৈছে ভাবুলীয়ে এটা বিলত জাকৈৰে মাছ মাৰি থকা দৃশ্যৰ দ্বাৰা। এই ভাবুলীৰ নাম পাছত হৈছিলগৈ ৰুকুণী। ভাবুলী কৰ্মচঞ্চল অথচ প্ৰচণ্ড প্ৰাণশক্তিৰে পৰিপূৰ্ণ যুৱতী। কোমল বয়সীয়া ভাবুলী অৰ্থাৎ ৰুকুণী নাহৰ নামৰ মৰাণ যুৱকৰ দ্বিতীয়া পত্নী। ইয়াৰ পাচৰ অধ্যায়ত আছে প্ৰসৱবেদনাৰ যন্ত্ৰণাকাতৰ এক চিত্ৰ, ভাবুলীৰ সতিনীয়েক ভাতুকীৰ ৰক্তৰ ডোঙাত পুত্ৰ পৰমাৰ জন্ম হ'ল, লাহে লাহে পৰমানন্দ ডাঙৰ হ'ল।

ৰাঘৱ মৰাণক নিৰ্যাতন দিয়াৰ পাচত লাখ লাখ প্ৰজাৰ মাজত বিদ্ৰোহৰ অগনি ভমক কৰে লেলিহান শিখাৰে জ্বলি উঠে। উপন্যাসৰ পৰৱৰ্তী কাহিনীত বিশাল জনযুদ্ধৰ প্ৰস্তুতিৰ বিৱৰণ আছে। ৰাঘৱ, নাহৰ ইত্যাদিয়ে এই জনতাক নেতৃত্ব দিয়ে। এই ৰাজদ্ৰোহত কেৱল মৰাণ মানুহেই নহয়, খাটিখোৱা মানুহ চুতীয়া, বুৰুক, সোনোৱাল কছাৰী আনকি নিপীড়িত -বঞ্চিত আহোমসকলেও গোহাঁই চাবু আৰু ৰত্নেশ্বৰক লগ ধৰি বিদ্ৰোহৰ নেতৃত্ব দিবলৈ আহ্বান জনায়। এইদৰে আৰম্ভ হ'ল ৰংপুৰৰ ৰজাৰ বিৰুদ্ধে ব্যাপক জনযুদ্ধ। এই আখৰাত প্ৰধান অস্ত্ৰ হ'ল যাঠি, বল্লম, টাঙোন ইত্যাদি।

ৰাধা-ৰুকুণীয়ে যুদ্ধত আগভাগ ল'লে। ৰণচণ্ডী মূৰ্তি ধৰি প্ৰচণ্ড বীৰত্বৰে যুঁজিলে। প্ৰথম দুদিন বিদ্ৰোহীসকল ৰজাঘৰৰ হিলৈ-বৰতোপৰ আগত পিচ হুঁহকিছিল যদিও ৰাধা-ৰুকুণী আদিয়ে নামবৃপত থকা

ৰজাৰ খাৰবাবুদৰ ঘৰৰ পৰা খাৰ-বাৰুদ সংগ্ৰহ কৰে। ৰখীয়াকেইটাৰ লগতো ৰক্তক্ষয়ী যুদ্ধ হয়। ইতিমধ্যে ৰুকুণীয়েও অসীম বীৰত্বৰে ৰজাৰ সৈন্য এটা কাটিছিল। এইবাৰো ৰুকুণীয়ে তয়ামযা যুদ্ধ কৰিলে। ৰাধা-ৰুকুণীক শত্ৰুসৈন্যই 'কেঁচাইখাতীগোসাঁনী' নাম দিলে।" **(অসমীয়া খবৰ)**

শৰ্মাৰ অভিমত অনুসৰি উপন্যাসখনৰ ঔপন্যাসিকাৰ মোৱামৰীয়া বিদ্ৰোহৰ দুই নায়িকা ৰাধা-ৰুক্মিণীৰ প্ৰতি দৰদ ফুটি উঠিছে।

**ৰাধা-ৰুক্মিণী তথা নাৰী বাহিনী ঃ সংযোজন**

মোৱামৰীয়া বিদ্ৰোহত ৰাধা-ৰুক্মিণী-ৰমলী-ৰঙালী-চন্দ্ৰমালা আদি নাৰীসকলৰ প্ৰবল অংশগ্ৰহণৰ কথা আমি ইতিমধ্যে উল্লেখ কৰি আহিছো। কিন্তু তাত আৰু কিছু সংযোজনৰ প্ৰয়োজন আছে। লক্ষ্মীসিংহৰ দিনত মোৱামৰীয়া বিদ্ৰোহ আৰম্ভ হোৱা সম্পৰ্কে **তুংখুঙীয়া বুৰঞ্জী**ত যি কথা আছে, সেয়া এয়া ঃ

**'মৰাণ বিদ্ৰোহ আৰম্ভ'**

এই উপশিৰোনামাৰে তাত কোৱা হৈছে, "বৰবৰুৱা ভাগৰ হাতীচুঙিয়ে, ফুকনৰ ভাগৰ হাতীচুঙি, দুয়োভাগৰ হাতীচুঙি গোট খাই বৰতীয়া তুলি **ৰাধা-ৰুকুণী** পাতি আসুৰী খেল পাতি ৰণ উলিয়াইছে (উক্ত গ্ৰন্থ, গুৱাহাটী ১৯৬৪ পৃ-৫৭)।

একেখন বুৰঞ্জিতে মাত্ৰ দহ পৃষ্ঠাৰ পাচতে পুনৰ মোৱামৰীয়া বিদ্ৰোহীৰ বিজয়ৰ মুহূৰ্ততো ৰাধা-ৰুক্মিণীৰ কথা গুৰুত্ব সহকাৰে উল্লেখ কৰিছে।

**'মৰাণৰ ৰংপুৰ অধিকাৰ'**

এই উপশিৰোনামাৰে এইবাৰ লিখা হৈছে ঃ

"পাচে ৰাঘ বৰবৰুৱাই মানুহ পঠাই (প)ৰমানন্দ ৰজাৰ বাৰ্তা কলে , বোলে - 'ৰংপুৰো ল'লো ৰজাকো ধৰি আনি ৰখা দি থৈছো'। এইৰূপে শুনি ৰমানন্দ হৰ্ষযুক্ত হৈ ৰমানন্দ, বাপেক খোৰা, ৰাধা ৰুকুণী, মৰাণ সসৈন্যে সহিতে শীঘ্ৰে আহি নগৰ ল'লেহি। তাৰ বৰুৱা ফুকনে আমাৰ বৰুৱা ফুকনক ঘৰৰ পৰা উলিয়াই সেই ঘৰে ঘৰে সোমাই ৰ'লহি। ...এইৰূপে নগৰ লৈ হিলৈ এজাঁই জাঁই কৰিলে, ১৬৯১ শকৰ মাস আঘোন। পাচে নগৰ পাই খোৰাই নাম ল'লে দেওগোসাঁই । ৰুকুণী সহিতে থাকিল।" (উক্ত গ্ৰন্থ, পৃ ৬৫)।

পুনৰ ৰাধা ৰুকুণীৰ গুৰুত্ব প্ৰতিপন্ন কৰি বুৰঞ্জিখনৰ ৬৭ পৃষ্ঠাত লিখা হৈছে,

**"আতপাচে মৰাণৰ ৰজা, বৰবৰুৱা সকলো (১৬৯১ শকৰ) চৈত্ৰ মাহত ৰংপুৰলৈ উজাই আহিল। সেই মাহতে গুৱাহাটীত ৰণ ওলাই হেন শুনি ৰুকুণী গুৱাহাটীলৈ গ'ল।"**

"...ইয়াত এই যে গুৱাহাটীত ৰণ ওলোৱা যেন শুনি ৰুকুণী গুৱাহাটীলৈ যোৱা" বুলি কোৱা হৈছে, তাত মোৱামৰীয়া বিদ্ৰোহ তথা চৰকাৰক ৰক্ষা কৰিবলৈ ৰুক্মিণীৰ জংগি তথা উদগ্ৰ চৰিত্ৰটোৰেই ফুটি উঠিছে। গুৱাহাটীত ৰণ ওলোৱা বুলি শুনি আন কোনোবা যাওক বা নাযাওক, ৰুক্মিণী যাবই । ইয়াৰ পৰা তেওঁ যে অতি সাহসিনী-এগৰাকী বীৰাংগনা তথা সেনাধ্যক্ষা আছিল অনুমান কৰিবলৈ অসুবিধা নহয়। এই উগ্ৰ সাহস তথা অপোচহীনতাই ৰুক্মিণীক শীঘ্ৰে চহিদ হোৱাৰ ফালে ঠেলি দিলে । ১৬৯১ শকৰ চ'তৰ বিহুৰ সংক্ৰান্তিত ৰামকৃষ্ণ আৰু কুৰংগনয়নীয়ে চক্ৰান্ত কৰি ৰাঘ মৰাণক হত্যা কৰালে। ৰাঘ মৰাণ আছিল মোৱামৰীয়া বিদ্ৰোহীৰ আটাইতকৈ দক্ষ আৰু সাহসী প্ৰধান নেতা। বৰবৰুৱাৰ বাব ল'লেও প্ৰকৃততে তেওঁহে শাসন কৰিছিল।



কিন্তু ৰাঘ মৰাণৰ হত্যাৰ পাচতে ৰজাঘৰীয়াই দ্বিতীয় লক্ষ্য হিচাপে কাক বাচি ল'লে ? পুনৰ **তুংখুঙীয়া বুৰঞ্জি**ৰ কথালৈ যাওঁ।

**'ৰাধা-হত্যা'**

...এই উপশিৰোনামাৰে **তুংখুঙীয়া বুৰঞ্জি**ৰ ৬৯ নং পৃষ্ঠাত কোৱা হৈছে ঃ

"সেই মানুহেই হৰ- গৌৰীৰ দ'লত ৰাধাক খুচি মাৰিলে।"

ইফালে মোৱামৰীয়া বিদ্ৰোহীক গুৱাহাটীত দমন কৰিবলৈ স্বৰ্গদেৱে বাঁহবৰীয়া কটকীৰ ঘৰৰ ধনেশ্বৰ বৰকটকীক পঠাইছিল । তেওঁৰ দায়িত্ব আছিল মৰাণৰ লিগিৰি কাঁড়ী বৰফুকনক ধৰা আৰু বাকি মৰাণ বিষয়াসকলক ধৰা বা মৰা, **তুংখুঙীয়া বুৰঞ্জি**য়ে এই পৰ্যায়টোৰ উপ-শিৰোনামা দিছে এনেদৰে ঃ

**'গুৱাহাটিত ৰুকুণীৰ বধ'**

এই উপ-শিৰোনামাৰে এনেকৈ লিখা হৈছেঃ

"পৰে বৰফুকনে পাই গৈ মৰাণৰ নিশেষ ফুকন ৰাজখোৱাক মাৰিলে। **ৰুকুণীকো মাৰিলে**। পাচে কটকী ধনেশ্বৰে আহি ৮ দিনে`ত মৰাণক মৰা বাৰ্তা ক'লেহি। পাচে স্বৰ্গদেৱে শুনি ধনেশ্বৰক প্ৰশংসা কৰিলে।"

**এই ৰুকুণীক গুৱাহাটীৰ মোৱামৰীয়া ৰাজ্যপালৰ উপদেষ্টা আখ্যা দি দ° গুহই লিখিছে ঃ "An ordinary *kanri-parik* of the village of Kalugaon was sent to Guwahati as the Barphukan, i.e. the viceroy for western Assam. Rukmini one of the two women leaders of the revolt, was also sent to Guwahati to help the new Governor."** (p. 115 of **Medieval & Early Colonial Assam**), (গুৰুত্ব আমাৰ)।

উক্ত ধনেশ্বৰ বৰকটকী কোন আছিল, সেই বিষয়ে ৰাজমোহন নাথে এনেকৈ লিখিছে,

"The root cause of the trouble however couldnot be eliminated and during the reign of the next king Gaurinath Singha, a foolish move was started to exterminate the evil by first maiming the probable Ahom claimants to the throne and 4then by a collective massacre of the Moamorias and their sympathisers. The latter oder was carried out so successfully by a Brahmin general Dhaneswar Kataky, that within a short time the disciples of the (Moamoria) Goswami were reduced to one eighth of their original strength. But repression effected only a temporary lull." (p. 202 of **The Background of Assamese Culture**)

এই যে ধনেশ্বৰ কটকীৰ নেতৃত্বাধীন ৰজাঘৰীয়া বাহিনীয়ে গুৱাহাটীত মোৱামৰীয়া বিদ্ৰোহীক দমন কৰিলে, নিহত বিদ্ৰোহী নায়কসকলৰ মাজত দুজনৰ নামহে বুৰঞ্জিখনত উল্লেখ আছে। সেয়া হ'ল নিশেষ ফুকন ৰাজখোৱা আৰু ৰুকুণী। ইয়াৰ পৰা গুৱাহাটীৰ বিদ্ৰোহী শিবিৰতো তেওঁৰ যে নেতৃত্বদায়ী ভূমিকা আছিল, স্পষ্ট।

হিতেশ্বৰ বৰবৰুৱাই ৰাধা-ৰুক্মিণীও দুয়োকে ৰজাঘৰীয়া বাহিনীয়ে কঠোৰ শাস্তি দি মাৰিছিল বুলি উল্লেখ কৰিছে ঃ "ৰাঘৰৰ মাক আৰু মাহীয়েক, ৰাধা আৰু ৰুক্মিণী, এই দুয়োকে আনি বহু শাস্তি দি বধ কৰিলে।"

**(আহোমৰ দিন,** গুৱাহাটী ১৯৯৭ পৃ.- ২৬১)

ৰাধা-ৰুক্মিণীৰ অংশগ্ৰহণ যে মোৱামৰীয়া বিদ্ৰোহৰ কোনো বিচ্ছিন্ন ঘটনা নাছিল বৰং নাৰীৰ সক্ৰিয় সশস্ত্ৰ অংশগ্ৰহণ যে এই বিদ্ৰোহৰ এক বিশেষ দিশ আছিল সেয়া স্পষ্ট হৈ পৰে বিদ্ৰোহত অংশগ্ৰহণকাৰী

নেত্ৰীস্থানীয় আৰু বহু নাৰীৰ নাম উল্লেখৰ পৰা।

## আৰু দহগৰাকী সশস্ত্ৰ বিদ্ৰোহিণী

**শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ চৰিত** পুথিত ৰাধা-ৰুক্মিণীৰ উপৰিও আন দহগৰাকী বিদ্ৰোহিণী নেত্ৰীৰ নাম আৰু তেওঁলোকৰ বীৰত্বৰ কাহিনী এইদৰে পোৱা যায় ঃ

"...বৰপাত্ৰ সমে মৰঙ্গীখোৱা যে গোহাঁই।
ৰণৰ বৃত্তান্ত কৈলা ৰাজাত বিনাই।।
**স্ত্ৰীয়ে কোঁচ পাতি গুলি ধৰি ছাটি মাৰে।**
**সেহি গুলি লাগি বহু সৈন্যগণ মৰে।।**
**বন্দুকৰ গুলি মাৰি বলে নপাৰিলো।**
যেন লাগে কৰা আমি আসি জান দিলো।।
শুনি ৰাজা ভীষ্ম নাৰায়ণক আদেশিলা।
চতুৰঙ্গ দল লৈয়া বৰ গোহাঁই গৈলা।।
হিলৈ সৰ মাৰে অতি নাহি ছেদ ভেদ।
আগ বাঢ়ি যায় সৰে কৰি মহা খেদ।।
ধুম্ৰে অন্ধকাৰ ভৈল নেদেখি আকাশ।
সূৰ্য্যৰ কিৰণ আৰ নকৰে প্ৰকাশ।।
**হেন দেখি যোগেন্দ্ৰই কৰিলা আদেশ।**
**কোঁচ পাতি গুলি শান্তী ধৰিও নিশেষ।।**
**তেতিক্ষণে দ্বিজৰ নন্দিনী চন্দ্ৰমালা।**
**শান্তী সৰ লৈয়া পাতিলন্ত যুদ্ধ খেলা।।**
**মধুৰী গুৰুৰ তেঁহে বধু সৌভাগিনী।**
**শান্তি সৰ মধ্যে সিটো নাৰী শিৰোমণি।।**
**ৰম্ভা যে জয়ন্তী ভানুমতী ভদ্ৰাৱতী।**
**সুভদ্ৰা সুচলা জয়া ৰোহিণী সুমতী ।।**
**এহি দশ শান্তি অতি পৰম ৰুচিৰ।**
**কঁকালত বস্ত্ৰ বান্ধি যুদ্ধে ভৈলা থিৰ।।**
**পাছে আগ বাঢ়ি চন্দ্ৰমালা মহাসতী।**
**বোলে শুন অৰে দুষ্ট ৰাজাৰ পদাতি।।**
**গুৰু সমে মাৰি আছ অনেক যে বাৰ।**
**লক্ষ লক্ষ লোক মাৰি কৰিলি উবাৰ।।**
**পতি পুত্ৰ সহোদৰ মাতুল খুড়াই।**
**সমস্তকে বধি আছ কৰিয়া অন্যায়।।**
**তাৰ প্ৰতিফল দিবো সমৰত ধৰি**



**মুকুতিৰ চোচে নিবো সৰাকে সংহৰি।।**
**আজি বুঢ়ী মাৰে যদি ধৰিবাক পাৰো।**
**পতুৱা ছিৰা দি ছিৰি গুৰিয়াই মাৰো।।**
এহি মতে আনো নানা কৰি তিৰস্কাৰ।
যত শক্তি আছে দেখো গুলি সৰ মাৰ।।
হেন শুনি নৃপতিৰ হিলৈদাৰীগণ।
শান্তীৰ সন্মুখে মাৰে যত হিলৈগণ।।
শান্তি সৰে পাছে অতি ৰঙ্গে কোঁচ পাতি।
গুলী সৰ ধৰি ওলোটায়া মাৰে ছাটি।।
**দশ শান্তি** মাৰন্ত গুলীক ধৰি দলি।
শত্ৰুৰ হৃদয়ে পৰি মৰয় সমূলি।।
কোঁচে কোঁচে গুলি সৰ লৈয়া শান্তি যত।
ঘূৰি ছাটি মাৰে শত্ৰু সৰ হৃদয়ত।।
তাঁতীৰ যে মৈৰা দুই ফুৰে ছালিধৰি।
তাঙ্গ দেখি শান্তি সৰে নৃত্য কৰি কৰি।।
প্ৰদক্ষিণ কৰি যাই ধৰি গুলি মাৰে।
শত্ৰু সৰ মৰি যায় প্ৰাণৰ কাতৰে।।
যেনয় দ্ৰৌপদী ধৰি হাতৰ কঙ্কণ।
যি মতে কৰিলা খটাসুৰক নিধন।।
**কাঠৰ ডাবক লৈয়া অন্য স্ত্ৰী সকল।**
**সঞ্জয়নী নাম লৈয়া কৰে কৌতুহল।।**
**প্ৰভাৱতী সঙ্গে যেন পাণ্ডু পুত্ৰগণ।**
**দুৰ্য্যোৰ সমৰ আতি কৰে বিতোপন।।**
**এহি মতে শান্তী সৰে কৰি মহাৰণ।**
**দ্ৰুপদ নন্দিনী যেন মাৰে ম্লেচ্ছগণ।।**
**অসংখ্যাত সৈন্য মাৰি কৈল বুন্দামাৰ।**
**দেখি নৃপতিৰ সৈন্য কৰে হাহাকাৰ।।..."**

ইয়াৰ পৰা পুনৰবাৰ প্ৰমাণ হয় যে মোৱামৰীয়া বিদ্ৰোহৰ এক সুসংগঠিত নাৰী বাহিনী আছিল। বিদ্ৰোহৰ চমৎকাৰ গভীৰতা আৰু বিশালতা প্ৰাপ্তিত এক মুখ্য ভূমিকা লৈছিল এই নাৰী বাহিনীয়ে। ৰাধা আৰু ৰুক্মিণী মৰাণ-মোৱামৰীয়া হোৱাৰ বিপৰীতে এই দহগৰাকী বীৰাংগনাৰ কেৱল এগৰাকীৰ হে আমি সামাজিক পৰিচয় পাওঁ। তেওঁ হ'ল চন্দ্ৰমালা। কিন্তু কোনো কোনোৱে ভুল কৰাদি এই তালিকাত এঘাৰটা নাম নাই, আছে দহটাহে। পদকিফাকিত একাধিক বাৰ দশ শান্তি/শান্তী বুলিও উল্লেখ কৰা হৈছে। কোনো কোনোৱে চন্দ্ৰমালাৰ পাচৰ নামটো 'মধুৰী' বুলি ভুল কৰে। অথচ ভালকৈ পঢ়িলেই দেখা যায়, চন্দ্ৰমালা 'মধুৰী' নামৰ

কোনোবা গুৰুৰ বোৱাৰীয়েকহে। তেওঁ দ্বিজকন্যা অৰ্থাৎ ব্ৰাহ্মণকন্যা। হৰিহৰ তাঁতি বা যোগেন্দ্ৰৰ আদেশক্ৰমে এই নাৰীবাহিনীয়ে ৰজাঘৰৰ বিৰুদ্ধে সশস্ত্ৰ যুদ্ধ কৰিছিল। হৰিহৰ তাঁতিৰ ম'ৰা দুটাৰ দৰে তেওঁলোকে ছালি ধৰি ধৰি নাচি নাচি যুদ্ধ কৰিছিল। কাঠৰ দা হাতত লৈ 'সঞ্জয়নী' গীত গাই কৰা এই যুদ্ধত যে আৰু বহু নাৰীয়ে যুঁজিছিল তাৰ প্ৰমাণ পোৱা যায়। 'কাঠৰ ডাবক লৈয়া অন্য স্ত্ৰীসকল সঞ্জয়নী নাম লৈয়া কৰে কৌতূহল' শাৰী কিটাতে। উল্লেখযোগ্য যে বিষ্ণুপ্ৰসাদ ৰাভাৰ লেখাত বাৰম্বাৰ 'সঞ্জয়নী' বা 'সঞ্জনী' নামৰ উল্লেখ আছে। যেনে ঃ "কটকীৰ মুখে এনে বাতৰি শুনি ৰাঘৰসিংহই বীৰ-বিক্ৰমে সাজি কাচি ওলাল। মটক ৰজাৰ আদেশ শুনি মটক-মৰাণ সৈন্যসকলেও ৰণৰ সাজত সাজিলে। সুবেচিনী কেঁচাখাতীৰ পূজা হ'ল। সঞ্জনী নাম গাই মটক ৰজাৰ সৈন্যৰ বৰতীয়া উঠিল।" (**বিষ্ণুপ্ৰসাদ ৰাভা ৰচনাসম্ভাৰ**, দ্বিতীয় খণ্ড, ৮৬৯-৭০ পৃ.)।

## বিধৱা নাৰীৰ সশস্ত্ৰ বাহিনী

আমি ইতিমধ্যে কৈ অহা মোৱামৰীয়াসকলৰ সশস্ত্ৰ নাৰী বাহিনীৰ ধাৰণাত এক নতুন মাত্ৰা সংযোজন কৰিছে ৰাজমোহন নাথে। তেওঁ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী বাহিনীটো বিধৱা মহিলাৰে গঠিত বুলি উল্লেখ কৰিছে। তেওঁ লিখিছে,

**'Female Rebels'**

"But the folly (of massacring the Moamorias -D.S) was realised too late. The widows of massacred Vaisnavs who had fled to the north bank of the Brahmaputra were organised into a volunteer unit by Harihar Sannyasin in his hermitage on the Bandardewa hill, two miles to the north of the present Dikrong Ferryghat; and they marched against the Ahom King. They were encountered in the Machkhowa field in the north-east of Dhakuakhana in the present Lakhimpur sub-divison, but the disorganised and the discontented Ahom army met with a crushing defeat in the hands of the revengeful women. The enemy advanced and captured the capital." Raj Mohan Nath : *The Background of Assamese Culture* in **Rajmohan Nath Rachanavali**, vol II, Guwahati, 2013, p. 202-3).

ইয়াত মন কৰিবলগীয়া কথাটো হ'ল এই যে 'বিধৱা' বিদ্ৰোহী বাহিনীটোৱে ৰজাঘৰীয়া বাহিনীক কেৱল চৰমভাৱে পৰাজিত কৰাই নহয়; তাৰ ফলতে বা তাৰ পাচতে বিদ্ৰোহী বাহিনীয়ে আহোম ৰাজধানী দখল কৰি হাওহাক সিংহাসনত বহুৱাৰ কথাও ইয়াত উল্লেখ আছে। এয়া ১৭৮৯-৯০ চনৰ কথা বুলি তাত ইংগিত আছে। ...

ইয়াৰ পৰা দেখা যায় যে মোৱামৰীয়া বিদ্ৰোহৰ এক অনন্য বৈশিষ্ট্য আছিল, নাৰী-বীৰাংগনা, নাৰী-চহিদসকলৰ অংশ গ্ৰহণেৰে গঢ়ি উঠা সবল নাৰী নেত্ৰীত্ব। বীৰাংগনা, যোদ্ধা আৰু চহিদৰ শাৰী সবল কৰা সত্বেও তেওঁলোকক অৱশ্যে নতুন ৰাষ্ট্ৰত কোনো দায়িত্ব দিয়া হোৱা নাছিল। তথাপিও ব্ৰাহ্মণ্যবাদী সমাজৰ পিতৃতান্ত্ৰিক পুৰুষপ্ৰধান চৰিত্ৰৰ বিপৰীতে নাৰীৰ সমান অধিকাৰ তথা সমমৰ্যাদাৰ এক মহান চিত্ৰ মোৱামৰীয়া বিদ্ৰোহে দাঙি ধৰিছিল।

(বিঃদ্ৰঃ অক্ষৰ বিন্যাস লেখকৰ মতে ৰখা হৈছে।)